**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** **31**-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰচণ্ড গৰমৰ বতৰত সকলোকে পৰ্যাপ্ত পানী খোৱাৰ লগতে বাহিৰলৈ ওলোৱাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

২। কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে পি এম স্বনিধিৰ ৬ বছৰ উদ্‌যাপনৰ এটা অনুষ্ঠানত পদপথৰ ব্যৱসায়ীসকলক পি এম স্বনিধি ঋণৰ চেক আৰু কিউ আৰ কোডযুক্ত ক্ৰেডিট কাৰ্ড বিতৰণ কৰে।

৩। ভাৰতৰ জল গৱেষণা আৰু উদ্ভাৱন পৰিবেশতন্ত্ৰ শক্তিশালী কৰাৰ উদ্দেশ্যে কাইলৈ নতুন দিল্লীত জলশক্তি মন্ত্ৰালয়ে পানীৰ গৱেষণা আৰু উন্নয়নৰ ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰিব।

৪। ভাৰতৰ সাত্তিকসাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৱে আজি ছিংগাপুৰ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ অৰ্জন কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত খন্তেক পাছতে গুজৰাট টাইটানছ-ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

MKB/ RNU (31-05-2026, Even NSD)

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰচণ্ড গৰমৰ বতৰত সকলোকে পৰ্যাপ্ত পানী খোৱাৰ লগতে বাহিৰলৈ ওলোৱাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। আকাশবাণীযোগে প্ৰচাৰিত মাহেকীয়া মন কী বাত অনুষ্ঠানত আজি দেশবাসীৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনায়। তেওঁ এই ক্ষেত্ৰত বিভিন্ন চৰকাৰী বিভাগে জাৰি কৰা নিৰ্দেশনাসমূহ মানি চলিবলৈও সকলোকে পৰামৰ্শ দিয়ে। প্ৰধানমন্ত্ৰীয়ে গৰমৰ বতৰত দেশৰ বিভিন্ন প্ৰান্তত প্ৰচলিত পৰম্পৰাগত পানীয় গ্ৰহণ কৰিবলৈ জনসাধাৰণক পৰামৰ্শ দিয়ে। তেওঁ কয় যে পৰম্পৰাগত পানীয়সমূহে **এক ভাৰত শ্ৰেষ্ঠ ভাৰত**ৰ প্ৰেৰণাক প্ৰতিফলিত কৰে। এই পানীয়সমূহ কোনো বৃহৎ ব্ৰেণ্ডৰ অন্তৰ্ভুক্ত নহয় যদিও এইবোৰে প্ৰজন্মৰ পাছত প্ৰজন্মক আকৰ্ষিত কৰি আহিছে।

আমৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ প্ৰতিটো অঞ্চলতে বেলেগ বেলেগ জাতৰ আম পোৱা যায় আৰু এইবিলাকৰ নিজা নিজা সোৱাদ আছে। তেওঁ কাশীৰ লেংৰা, মহাৰাষ্ট্ৰৰ আলফন্স', গুজৰাটৰ কেশৰ, পশ্চিমবংগৰ হিমসাগৰ আদি বিভিন্ন জাতৰ আমৰ উদাহৰণ দিয়ে। শ্ৰীমোদীয়ে আম খেতিৰ সৈতে জড়িত কৃষকসকলৰ অৱদানক ভূয়সী প্ৰশংসা কৰি কয়, যে আম এতিয়া ভাৰতৰ গাঁৱৰ পৰা গৈ বিশ্বৰ বজাৰত সমাদৃত হৈছে। আমৰ খেতিয়কসকলক দেশৰ কৃষি অৰ্থনীতিৰ বিশেষ অৱদানকাৰী হিচাপে শ্ৰীমোদীয়ে উল্লেখ কৰে।

আজিৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ শেহতীয়া নেডাৰলেণ্ডছ ভ্ৰমণৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে এই ভ্ৰমণকালৰ এটা বিশেষ অনুষ্ঠানত নেডাৰলেণ্ডছ চৰকাৰে চোল বংশৰ ৰজাসকলৰ সময়ৰ প্ৰাচীন তাম্ৰ লিপিসমূহ ভাৰতলৈ হস্তান্তৰ কৰে। তেওঁ কয় যে এই তাম্ৰলিপিসমূহত চোল সাম্ৰাজ্যৰ সাফল্যৰ

বৰ্ণনা আছে। শ্ৰীমোদীয়ে লগতে কয়, যে এই তাম্ৰলিপিসমূহৰ জৰিয়তে দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহৰ সৈতে চোল ৰজাসকলৰ সম্পৰ্কৰ বিষয়েও উমান পাব পাৰি।

প্ৰধানমন্ত্ৰীয়ে কয় যে চৰকাৰে দেশৰ অমূল্য ঐতিহ্য ক্ষেত্ৰসমূহ সংৰক্ষণৰ বাবে অহৰহ কাম কৰি আছে। এই ক্ষেত্ৰত তেওঁ জ্ঞান ভাৰতম অভিযানৰ অধীনত চত্তিশগড়ৰ মালহাৰত আৱিস্কৃত গুৰুত্বপূৰ্ণ সম্পদসমূহৰ উদাহৰণ দিয়ে। এই অঞ্চলত ষষ্ঠ, সপ্তম শতিকাৰ পাণ্ডুবংশী ৰাজবংশৰ মহাঋষি বালাৰ্জুনৰ দিনৰ ৩ খন গুৰুত্বপূৰ্ণ তাম্ৰ লিপি উদ্ধাৰ হোৱা বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

জ্যোতিৰ্বিজ্ঞান ক্লাৱসমূহ দেশত ক্ৰমান্বয়ে জনপ্ৰিয় হৈ উঠা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে তৰুণ প্ৰজন্মক এনে ক্লাৱৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়। তেওঁ লগতে বন্ধৰ দিনত এটা তাৰকা গৃহ দৰ্শন কৰিবলৈও পৰামৰ্শ দিয়ে।

নিজৰ বক্তব্যত প্ৰধানমন্ত্ৰীয়ে তামিলনাডুৰ নাগেৰকইলৰ গিৰিজা আম্মা নামৰ এগৰাকী শিক্ষয়িত্ৰীৰ বিষয়ে উল্লেখ কৰি কয় যে শিক্ষয়িত্ৰীগৰাকীয়ে মন কী বাতৰ জৰিয়তে প্ৰেৰণা লাভ কৰি সৈনিকসকলৰ বাবে প্ৰশংসাসূচক কাম কৰিছে। তেওঁ কয় যে শিক্ষয়িত্ৰীগৰাকীয়ে সাহসী সৈনিকসকলৰ সহায়ৰ বাবে শিশুসকলক প্ৰতিদিনে এটকাকৈ অৱদান আগবঢ়াবলৈ উৎসাহিত কৰি আহিছে। এই উদ্যোগৰ জৰিয়তে প্ৰায় ৪০ লাখ টকা সংগ্ৰহ হয় আৰু এই সমুদায় টকা চেকযোগে তেওঁলৈ শিক্ষয়িত্ৰীগৰাকীয়ে প্ৰেৰণ কৰে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে যোৱা বছৰৰ সোণালী জয়ন্তী সম্পূৰ্ণ কৰা চেন্নাইৰ প্ৰথমখন হিন্দু বিদ্যালয়ৰ বিষয়ে উল্লেখ কৰে। এই বিদ্যালয়খনে দেশৰ শিক্ষাৰ অগ্ৰগতি আৰু সাংস্কৃতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। ০০০০

০০০০০

কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে পি এম স্বনিধিৰ ৬ বছৰ উদ্‌যাপনৰ এটা অনুষ্ঠানত পদপথৰ ব্যৱসায়ীসকলক পি এম স্বনিধি ঋণৰ চেক আৰু কিউ আৰ কোডযুক্ত ক্ৰেডিট কাৰ্ড বিতৰণ কৰে। আগৰতলাত অনুষ্ঠিত উদ্‌যাপন অনুষ্ঠানত ত্ৰিপুৰৰ মুখ্যমন্ত্ৰী ডঃ মানিক সাহা আৰু আন বিষয়ববীয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ পূৰ্বে সেই স্থানত বিশিষ্ট ব্যক্তি, বিষয়া আৰু হিতাধিকাৰীসকলে একেলগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১৩৪ সংখ্যক মন কী বাত অনুষ্ঠান শুনে। ত্ৰিপুৰাৰ নগৰ অঞ্চলৰ স্থানীয় সংস্থাৰ প্ৰতিনিধি আৰু পদপথৰ বিক্ৰেতাসকলৰ সমাবেশক সম্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লালে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰীৰ পি এম স্বনিধি আঁচনিয়ে সমগ্ৰ ভাৰতত‌ে ক্ষুদ্ৰ উদ্যোগীসকলৰ ব্যৱসায়লৈ পৰিৱৰ্তন আনিছে। তেওঁ কয় যে পূৰ্বে এই ক্ষুদ্ৰ ব্যৱসায়ীসকলে স্থানীয় ধনদাতাক নিৰ্ভৰ কৰিবলগীয়া হৈছিল আৰু চক্ৰ বৃদ্ধি সূতৰ হাৰত ঋণ ল'বলগীয়া হৈছিল। কিন্তু পি এম স্বনিধি আঁচনিয়ে ব্যৱসায়ীসকলক এই ঋণৰ পৰা মুক্ত কৰি দিছে। এই অনুষ্ঠানত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ডঃ মানিক সাহাই কয় যে ৰাজ্যখনে পি এম স্বনিধি আঁচনি ৰূপায়ণত এশ শতাংশ সফল হৈছে।

০০০০০

ভাৰতৰ জল গৱেষণা আৰু উদ্ভাৱন পৰিবেশতন্ত্ৰ শক্তিশালী কৰাৰ উদ্দেশ্যে কাইলৈ নতুন দিল্লীত জলশক্তি মন্ত্ৰালয়ে পানীৰ গৱেষণা আৰু উন্নয়নৰ ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰিব। মন্ত্ৰালয়ে কয় যে জলসম্পদ ব্যৱস্থাপনা, খোৱা পানী, জলবায়ুৰ স্থিতিস্থাপকতা আৰু জল ব্যৱহাৰৰ কাৰ্যক্ষমতাৰ দৰে বিষয়সমূহত অগ্ৰাধিকাৰ দিয়া হ'ব আৰু অত্যাধুনিক গৱেষণা প্ৰসাৰিত কৰাৰ বাবে নতুন পদক্ষেপ লোৱা হ'ব। পানী খণ্ডৰ বিকাশত সহায় কৰিবলৈ **ভাৰত উইন** পোৰ্টেলৰ অধীনত ষ্টাৰ্টআপ আৰু ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ আৰম্ভণি কৰিব বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে। এই কৰ্মশালাত বিভিন্ন প্ৰতিষ্ঠান আৰু স্থানীয় সংস্থাক জল সংৰক্ষণ, বৰষুণৰ পানী সংগ্ৰহ আৰু ভূগৰ্ভস্থ পানীৰ পুনৰ্ব্যৱহাৰ সন্দৰ্ভতো বিভিন্ন কাৰ্যব্যৱস্থা হাতত লবলৈ নতুন প্ৰযুক্তিৰ বিষয়ে আলোচনা কৰা হ'ব। এই অনুষ্ঠানৰ সময়ত জলশক্তি মন্ত্ৰালয় আৰু ভাৰতীয় মহাকাশ

গৱেষণা সংস্থাই জলসম্পদ মূল্যায়ন, নিৰীক্ষণ আৰু ব্যৱস্থাপনাৰ বাবে উপগ্ৰহ ভিত্তিক নতুন প্ৰযুক্তি শক্তিশালী কৰাৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ইতিমধ্যে ২৪ টা অধ্যয়ন আৰু সহযোগিতাৰ ক্ষেত্ৰ চিনাক্ত কৰা হৈছে। কাইলৈ হ'বলগীয়া এদিনীয়া কৰ্মশালাত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিল আৰু বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে যুটীয়াভাৱে উদ্বোধন কৰিব।

ooooo

হিমাচল প্ৰদেশৰ চাম্বা জিলাৰ বেইৰাগঢ়-চছ্ পাছৰ পথত এখন বাহন দ' খাৰৈত পৰি ৮ জন যাত্ৰীৰ মৃত্যু হৈছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে ২৯ মে'ৰ মাজনিশা চুৰাহ অঞ্চলৰ বিপদসংকুল পথটোত এই দুৰ্ঘটনাটো সংঘটিত হৈছিল। প্ৰশাসনৰ উদ্ধাৰ অভিযানত দুৰ্ঘটনাস্থলীৰ পৰা ৮ জনৰ মৃতদেহ উদ্ধাৰ হৈছে। ইয়াৰে ৭ জন পৰ্যটক আৰু এজন বাহনখনৰ চালক। উল্লেখযোগ্য যে হিমাচল প্ৰদেশ ফুৰিবলৈ যোৱা পৰ্যটকৰ দলটি ডেলহাউচিৰ এখন হোটেলত আছিল। ২৯ মে'ত দলটি চছ পাছলৈ বুলি উলাই গৈছিল যদিও সন্ধিয়া পৰ্যন্ত ঘুৰি নহাত হোটেল কৰ্তৃপক্ষই আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰাৰ পাছতে দুৰ্ঘটনাটোৰ কথা পোহৰলৈ আহে। দুৰ্ঘটনাটোৰ প্ৰকৃত কাৰণ জানিবলৈ আৰক্ষীয়ে নিজাববীয়াকৈ এটা তদন্ত আৰম্ভ কৰিছে বুলি চাম্বা আৰক্ষী অধীক্ষক বিজয় চাকলানিয়ে জানিবলৈ দিছে।

ooooo

হাৰিয়ানাৰ পঞ্চকুলা জিলাৰ ৰামগড়স্থিত প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (DRDO) ৰ টাৰ্মিনেল বেলষ্টিক গৱেষণা পৰীক্ষাগাৰত আজি এটা উচ্চ ক্ষমতাসম্পন্ন বোমা সফলতাৰে পৰীক্ষা কৰা হয়। ব্যাপক নিৰাপত্তা ব্যৱস্থাৰ মাজত আৰু বায়ু সেনাৰ জ্যেষ্ঠ বিষয়াসকলৰ তত্বাৱধানত এই বোমা পৰীক্ষণ অনুষ্ঠিত কৰা হৈছিল। বিষয়াসকলে কয় যে,সফলভাৱে সম্পন্ন হোৱা সমগ্ৰ প্ৰক্ৰিয়াটোত সকলো সুৰক্ষা ব্যৱস্থা কঠোৰভাৱে পালন কৰা হৈছিল। বোমা পৰীক্ষণৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষাগাৰৰ বিষয়ববীয়া, জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে ইতিমধ্যে সতৰ্কবাণী জাৰি কৰিছিল।

বায়ুসেনাৰ জেষ্ঠ্য বিষয়াসকলে জনোৱা অনুসৰি পৰীক্ষণৰ সময়ত সময়ত বোমাৰ টুকুৰাবোৰে ১.৫ কিলোমিটাৰ দূৰত্বলৈকে চিটিকি পৰিব পাৰে বুলি অনুমান কৰি নিৰাপত্তাৰ দৃষ্টিকোণৰ পৰা ২ কিলোমিটাৰৰ ব্যাসাৰ্ধক সংবেদনশীল অঞ্চল হিচাপে ঘোষণা কৰা হৈছিল।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনত এটা ৰাসায়নিক দ্ৰব্যভৰ্তি টেংক ফাটি যোৱাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এঘাৰজনলৈ বৃদ্ধি পাইছে। আজি উদ্ধাৰকাৰী দলে ঘটনাস্থলীৰ পৰা নজন লোকৰ মৃতদেহ উদ্ধাৰ কৰিছে। উল্লেখযোগ্য যে মঙলবাৰে ঘটনাটো সংঘটিত হোৱাৰ পাছতে দুজনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল।

বিগত সপ্তাহজুৰি ঘটনাস্থলীত অনুসন্ধান আৰু উদ্ধাৰ অভিযান অব্যাহত আছে। আমেৰিকাৰ সংবাদ মাধ্যমৰ প্ৰকাশ কৰা মতে টেংকৰ ৰাসায়নিক দ্ৰৱই ইতিমধ্যে ওচৰৰ কলম্বিয়া নদী প্ৰদূষিত কৰিছে যদিও লংভিউ চহৰৰ বায়ুৰ মানদণ্ড বা খোৱা পানীৰ যোগানত কোনো প্ৰতিকূল প্ৰভাৱ পৰা নাই বুলি বৈজ্ঞানিক মহলে জানিবলৈ দিছে।

ooooo

ভাৰতৰ সাত্বিক সাইৰাজ ৰনকিৰেড্ডী আৰু চিৰাগ চেট্টী যুটিয়ে আজি ছিংগাপুৰ অ'পেন বেডমিন্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ অৰ্জন কৰিছে। ফাইনেলত ইণ্ডোনেছিয়াৰ মহম্মদ ছহিবুল ফিক্ৰি আৰু ফজৰ অলফিয়ান যুটিক ১৮-২১, ২১-১৭, ২১-১৬ পইণ্টত পৰাস্ত কৰি ভাৰতীয় যুটিটোৱে দুবছৰৰ বিৰতিৰ পিছত চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। টছত জিকি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

ooooo

ঃঃ সমাপ্ত ঃঃ